**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-02-2025
**Time :** 1715 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

কংগ্ৰেছ্ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ বিধায়কসকলে এই ঘটনা সন্দৰ্ভত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই ঘটনাৰ বিষয়ত পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰি সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ বিৰোধী সদস্যসকলক আহ্বান জনায়। বিৰোধী সদস্যসকলে এই ঘটনাৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয় জড়িত হৈ আছে বুলি উল্লেখ কৰি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত অধ্যক্ষই দহ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে। সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ্ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ বিষয়টো পুনৰ সদনত উত্থাপন কৰাত কংগ্ৰেছৰ সদস্যসকলে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়ায়। বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই পুনৰ পাঁচ মিনিটৰ বাবে সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখে।

সদন পুনৰ মিলিত হোৱাৰ সময়ত মন্ত্ৰী কেশৱ মহন্তই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰে যদিও পৰিস্থিতি উন্নত নোহোৱাত এই বিষয়ে আলোচনা কৰিব পৰা নহ'ল। কংগ্ৰেছৰ সদস্যসকলে এগৰাকী জনপ্ৰতিনিধিক দিনদুপৰতে আক্ৰমণৰ ঘটনাক উদ্বেগজনক বুলি উল্লেখ কৰি বিষয়টোলৈ আলোচনা কৰাৰ দাবীত অটল হৈ থাকে। অধ্যক্ষই গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা সম্প্ৰতি ৰাজ্যৰ বাহিৰত থকাৰ বাবে এই বিষয়টোক লৈ পৰৱৰ্তী সময়ত আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। শাসক-বিৰোধীৰ মাজত এই বিষয়টোলৈ বাক-বিতণ্ডা চলি থকাৰ সময়তে মন্ত্ৰী পীযুষ হাজৰিকাই সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণৰ অভিযোগত আৰক্ষীয়ে দহজন লোকক চিনাক্ত কৰাৰ কথা উল্লেখ কৰে।

আৰক্ষীয়ে আইন অনুযায়ী এই অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব। এই ঘটনাক কেন্দ্ৰ কৰি আজি ৰাজ্যখনৰ বিভিন্ন স্থানত আজি কংগ্ৰেছ কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ বাতৰি পোৱা গৈছে। ইপিনে, আক্ৰমণৰ বলী হোৱা কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি দুপৰীয়া নগাঁও সদৰ আৰক্ষী থানাত এই ঘটনা সংক্ৰান্তত এটা গোচৰ ৰুজু কৰে। গোচৰত ২২জন লোকৰ নাম উল্লেখ কৰা হৈছে।

০০০০

অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৯

হাজাৰৰো অধিক চাহ জনগোষ্ঠীৰ শিল্পীয়ে এই অনুষ্ঠানত ভাগ লৈছে। এই অনুষ্ঠানৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয় আৰু সৰুসজাইত প্ৰৱেশ পত্ৰ দি থকা হৈছে। আগ্ৰহীসকলে এই তিনিও স্থানৰ পৰা প্ৰৱেশ পত্ৰসমূহ সংগ্ৰহ কৰিব পাৰিব। ২৩ ফেব্ৰুৱাৰীত ঝুমুৰৰ অন্তিম আখৰা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সেইদিনা প্ৰৱেশপত্ৰ নোহোৱাকৈ এই আখৰা উপভোগ কৰিবৰ বাবে জনসাধাৰণক আহ্বান জনাইছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে। নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আজি নৱৰূপ জাতীয় বিদ্যাপীঠৰ প্ৰেক্ষাগৃহত আয়োজিত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে **চিৰ চেনেহী মোৰ ভাষা জননী** শীৰ্ষক গীতটি পৰিৱেশন কৰে। সভাত নগাঁও মহাবিদ্যায়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ শৰৎ বৰকটকীয়ে তেওঁৰ ভাষণত কয়, যে অধিক চৰ্চা আৰু কথিত ৰূপেহে ভাষাটোক অধিকৰ সমৃদ্ধিশালী কৰিব পাৰে।

গোৱালপাৰা জিলাৰ ভালুকদুবীৰ নৱজ্যোতি আদৰ্শ জাতীয় বিদ্যালয়ত আজি নতুন সাহিত্য পৰিষদ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ, নৃত্য-গীত, স্বৰচিত কবিতা পাঠ আদিৰ উপৰি **আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ তাৎপৰ্য আৰু জনগোষ্ঠীয় ভাষাৰ সংকট** শীৰ্ষক এখনি আলোচনা চক্ৰৰ আয়োজন কৰা হয়।

গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া আৰু বাংলা বিভাগৰ উদ্যোগত আয়োজন কৰা এই দিৱসৰ কাৰ্যসূচী আজি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথে উদ্বোধন কৰে। এই কাৰ্যসূচীত অসমীয়া ভাষাৰ মাধুৰ্য্য আৰু জাতীয় জীৱনৰ পৰম্পৰাত ভাষাৰ ঐতিহাসিক গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰা হয়। এই সভাতে বিভিন্ন সাহিত্যিক প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পুৰস্কৃত কৰা হয়। শ্ৰীভূমিৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

০০০০

গোৱালপাৰা জিলাৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঐতিহাসিক উৰপদ বিলত অন্যতম আকৰ্ষণীয় পৰ্যটনথলী হিচাপে গঢ়ি তোলাৰ বাবে জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে লোক নিৰ্মাণ বিভাগে ১৮ কোটি টকা ব্যয় সাপেক্ষে বিলখনৰ চাৰিওফালে মথাউৰি নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে যাতে পৰ্যটকসকলে বিলখনৰ চাৰিওকাষে ঘূৰি ইয়াৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। বিলখনৰ প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা, জীৱকূলৰ সুৰক্ষা, স্বচ্ছতা আদি দিশৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা প্ৰশাসনে ইতিমধ্যে সেই অঞ্চলটো প্লাষ্টিক নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰিছে। স্বচ্ছতা অভিযানৰ অংশ হিচাপে আজি জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সহযোগত বিলৰ চাৰিওকাষে এটা চাফাই অভিযান চলায়। গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মৃগাংক চৌধুৰীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰায় ৩ হেজাৰ ৫০০ বিঘা আয়তনৰ বিলখনক অধিক আকৰ্ষণীয় কৰাৰ বাবে জিলা প্ৰশাসনে আন কেতবোৰ আঁচনি গ্ৰহণ কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

সমাপ্ত